# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 07-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক সহায় কৰাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। নলবাৰীৰ গন্ধিয়াত আজি অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ ৰান্ধনীশালৰ শিলান্যাস আৰু ভূমিপূজন অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ আৰ্থসামাজিক বিকাশৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে গন্ধিয়াত কেন্দ্ৰীয়ভাৱে মধ্যাহ্ন ভোজন ৰন্ধনৰ এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে অঞ্চলটোত পৰিৱৰ্তন ৰাইজে উপলব্ধি কৰিব পাৰিব। তেওঁ কয়, যে প্ৰায় ২৫ কোটি ৩৩ লাখ ৯০ হাজাৰ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই কেন্দ্ৰীয় ৰান্ধনীশালৰ জৰিয়তে ২৫ হাজাৰ বিদ্যাৰ্থীক সামৰি লব পৰা যাব। এদিনীয়া ভ্ৰমণসূচীৰে নলবাৰীত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ ঘগ্ৰাপাৰত লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰা পৰিদৰ্শন বঙলাটোৰো শুভ উদ্বোধন কৰে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জীৱন অনুপ্ৰেৰণা শীৰ্ষক এখন অভিলাসী আঁচনি উদ্বোধন কৰে। এই আঁচনিৰ জৰিয়তে গৱেষক শিক্ষাৰ্থীসকলক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হব। ইয়াৰ উপৰি দিব্যাংগ গৱেষক শিক্ষাৰ্থীসকলক আঁচনিখনত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। আচনিখনে ৰাজ্যৰ শিক্ষা খণ্ডত নতুন যুগৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী শৰ্মাই আশা প্ৰকাশ কৰে।

০০০০

শাসনাধিস্থিত বিজেপিয়ে অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অসমৰ পৰা কনাড পুৰকায়স্থক প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই আজি প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৯ জুনত অসমৰ পৰা ৰাজ্যসভাৰ দুখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কনাড পুৰকায়স্থ হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। ৰাজ্যসভাৰ এই আসনখনৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে বিজেপিৰ ১৩গৰাকী নেতাই আবেদন জনাইছিল। আমাৰ সংবাদদাতাই জনোৱা মতে অসমত ৰাজ্যসভাৰ দুখন আসনৰ এখন আসনত বিজেপিয়ে আৰু আনখনত অগপই প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মিত্ৰ দল দুটাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিজেপিয়ে প্ৰাৰ্থী চূড়ান্ত কৰিলে যদিও এই পৰ্যন্ত অগপই প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। সোমবাৰ ৯ জুন হৈছে ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

০০০০

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ১২ খন জিলাৰ ৩ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। কামৰূপ মহানগৰ জিলাত আজি বিয়লি বান আৰু ভূমিস্খলনৰ বাবে দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰ ৰাজ্যৰ প্ৰথম বান আৰু ভূমিস্খলনত বৰ্তমানলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পালে। এইবাৰ বানত ৰাজ্যখনৰ এহেজাৰৰো অধিক গাঁও আৰু প্ৰায় এহেজাৰ ২৫০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োগ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৩৬ হাজাৰতকৈ অধিক লোকে ১৩৩ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে।

ৰাজ্যৰ অধিকাংশ জিলাত বৰষুণ কম হোৱাত ঘাই ঘাই নৈসমূহৰ জলপৃষ্ঠ হ্ৰাস পাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উজনি অসমৰ ঠাই বিশেষে মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে।

০০০০

অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড° ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০

ভূটানৰ গেলেফু মাইণ্ডফুলনেচ ছিটিৰ এটা ৯ জনীয়া প্ৰতিনিধি দল আজি ছদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হয়। দলটোৱে আজি কামৰূপ জিলাৰ হাজোস্থিত ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰে। ইয়াৰ পাছতে দলটোৱে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীত উপস্থিত হয় আৰু প্ৰতিষ্ঠানখনৰ সঞ্চালক, অধ্যাপক দেবেন্দ্ৰ জলিহাল আৰু অধ্যাপকসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত দলটোৱে গেলেফু মাইণ্ডফুলনেচ ছিটিৰ সৈতে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ সহযোগিতাৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰে।

০০০০

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এন ডি এ চৰকাৰৰ এখন উল্লেখযোগ্য ধ্বজাবাহী আঁচনি হৈছে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি। অসমত এই আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি বিভাগৰ মুখ্য প্ৰৱন্ধক বিজয় শংকৰ বৰুৱাৰ সৈতে আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ এটা কথোপথন প্ৰচাৰ কৰা হ'ব।

০০০০

ভাৰতীয় খেলুৱৈসকলে টাইৱানৰ চিৰাজ চহৰত অনুষ্ঠিত টাইৱান অপেন এথলেটিক্স ছেম্পিয়নশ্বিপৰ প্ৰথম দিনাই ছটাকৈ সোণৰ পদক অৰ্জন কৰি গৌৰৱ কঢ়িয়াই আনিছে। **পুজাই** আজি মহিলাৰ ১৫ মিটাৰ দৌৰত দেশৰ হকে প্ৰথমটো সোণৰ পদক অৰ্জন কৰে। **আব্দুল্লা আবু বাকাৰে** পুৰুষৰ ত্ৰিপল জাম্পত ১৬

দশমিক ২ -১ মিটাৰলৈ জপিয়াই সোণৰ পদক হস্তগত কৰে। একেদৰে **জ্যোতি য়াৰাজিয়ে** মহিলাৰ এশ মিটাৰ বাধা দৌৰত আৰু **তেজাশ শিৰ্হে** পুৰুষৰ ১১০ মিটাৰ বাধা দৌৰত সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ ফোৰ ইন টু হাণ্ড্ৰেড মিটাৰ ৰীলে দৌৰত অসমৰ অম্লান বৰগোহাই, গুৰবিন্দৰ সিং, অনিমেশ কুজুৰ আৰু মনিকান্ত হবলিধৰক লৈ গঠিত ভাৰতীয় দলটোৱে ৩৮ দশমিক ৭-৫ চেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণৰ পদক লাভ কৰে। ভাৰতে মহিলাৰ এশ মিটাৰ ৰীলে দৌৰত আনটো সোণৰ পদক লাভ কৰে।

০০০০

সমাপ্ত